**PREVIEW QUESTION BANK(Single)**

**Module Name : NCET Language: ENGLISH**
**Section Name : 103-Assamese**
**Exam Date : 29-Apr-2025 Batch : 15:00-18:00**

| Sr. No. | Client Question ID | Question Body and Alternatives | Marks | Ne M |
|---|---|---|---|---|
| Section : 103-Assamese | | | | |
| Topic : Topic 5 | | | | |
| Q.Type : Objective Question | | | | |
| 1 | 5047 | **উদ্ধৃত অনুচ্ছেদটো পঢ়ি তাৰ তলত দিয়া প্ৰশ্নসমূহৰ আটাইতকৈ শুদ্ধ উত্তৰটো বাছি উলিয়াই উত্তৰ কৰাঁ।**<br>বৈষ্ণৱী যুগৰ অসমীয়া সাহিত্য ওজনত গধুৰ হ'লেও ই কেৱল ধৰ্মীয় বিষয়তে সীমাবদ্ধ। এই যুগৰ সাহিত্য প্ৰচাৰধৰ্মী আৰু শিক্ষামূলক। কৃষ্ণ উপাসনা (Krishna cult) আৰু নামধৰ্ম এই সাহিত্যৰ বিষয়বস্তু। বিশ্বজগত ক্ষণস্থায়ী আৰু জীৱন ক্ষণভঙ্গুৰ (brittle)। এই সাহিত্য বিশেষকৈ ভাগৱত পুৰাণ আৰু নামধৰ্মৰ অনুকূল সংস্কৃত গ্ৰন্থৰ আধাৰত ৰচিত। ৰাম সৰস্বতীৰ মহাভাৰতৰ কেইটামান পৰ্ব ইয়াৰ ব্যতিক্ৰম হ'লেও এই কবিৰ বধকাব্যবোৰ ভাগৱতাশ্ৰয়ী। সেই গুণে এই পৰ্বখিনিক বৈষ্ণৱ পৰ্বও বোলা হয়। পূৰ্ব কবি মাধৱ কন্দলীৰ ৰামায়ণে শঙ্কৰদেৱৰ সমসাময়িক অনন্ত কন্দলী আৰু তেওঁৰ মতাৱলম্বী কবিৰ স্থূলহস্তত পৰি বেলেগ ৰূপ ল'লে। আজিকালি মাধৱ কন্দলীৰ বস্তু কোনখিনি আৰু অনন্ত কন্দলীসকলৰ সংযোজন কোনখিনি তাক নিৰ্ণয় কৰাই টান হৈ পৰিছে।<br>আনহাতে, পৰৱৰ্তী আহোম ৰাজত্ব যুগৰ সাহিত্যত বৈষ্ণৱ সাহিত্যৰ বাহিৰেও আন আন বিষয়ৰ গ্ৰন্থৰ অনুবাদ কৰা হয়। বৈষ্ণৱৰ লগত কোনো সংঘৰ্ষ নোহোৱাকৈ আহোম ৰজাসকলৰ কেইজনমানে শাক্ত ধৰ্ম গ্ৰহণ কৰিছিল আৰু শাক্ত গ্ৰন্থৰ অসমীয়া অনুবাদৰ পৃষ্ঠপোষকতা কৰিছিল। উদাহৰণ স্বৰূপে ৰুচিনাথ কন্দলীৰ *চণ্ডী* আৰু আগমাচাৰ্যৰ *আনন্দলহৰী*ৰ অনুবাদ বিশেষ উল্লেখযোগ্য। আজান ফকীৰৰ জিকিৰ গীতসমূহ এই যুগৰেই অৱদান। ৰুচিনাথ কন্দলীৰ অনুবাদ শক্তিমন্ত আৰু প্ৰথমে পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে এই পুথি সম্পৰ্কে দৃষ্টি আকৰ্ষণ কৰে। এই পুথি আজিও প্ৰকাশ হোৱা নাই বুলি জানো। *আনন্দলহৰী* বিখ্যাত শঙ্কৰাচাৰ্যৰ *সৌন্দৰ্যলহৰী*ৰ প্ৰথমাংশ। আৰু এই হাতেলিখা পুথি চিত্ৰসম্বলিত। এই পুথিও উপযুক্তভাৱে সম্পাদন কৰা হোৱা নাই বুলি গম পাইছোঁ।<br>বধবাক্যসমূহ কোনো ৰচনা কৰিছিল?<br>(1) মাধৱ কন্দলী<br>(2) অনন্ত কন্দলী<br>(3) ৰাম সৰস্বতী<br>(4) ৰুচিনাথ কন্দলী<br><br>(A) 1<br>(B) 2<br>(C) 3<br>(D) 4 | 4.0 | |
| Q.Type : Objective Question | | | | |
| 2 | 5048 | | 4.0 | |

**উদ্ধৃত অনুচ্ছেদটো পঢ়ি তাৰ তলত দিয়া প্ৰশ্নসমূহৰ আটাইতকৈ শুদ্ধ উত্তৰটো বাছি উলিয়াই উত্তৰ কৰাঁ।**

বৈষ্ণৱী যুগৰ অসমীয়া সাহিত্য ওজনত গধুৰ হ'লেও ই কেৱল ধৰ্মীয় বিষয়তে সীমাবদ্ধ। এই যুগৰ সাহিত্য প্ৰচাৰধৰ্মী আৰু শিক্ষামূলক। কৃষ্ণ উপাসনা (Krishna cult) আৰু নামধৰ্ম এই সাহিত্যৰ বিষয়বস্তু। বিশ্বজগত ক্ষণস্থায়ী আৰু জীৱন ক্ষণভঙ্গুৰ (brittle)। এই সাহিত্য বিশেষকৈ ভাগৱত পুৰাণ আৰু নামধৰ্মৰ অনুকূল সংস্কৃত গ্ৰন্থৰ আধাৰত ৰচিত। ৰাম সৰস্বতীৰ মহাভাৰতৰ কেইটামান পৰ্ব ইয়াৰ ব্যতিক্ৰম হ'লেও এই কবিৰ বধকাব্যবোৰ ভাগৱতাশ্ৰয়ী। সেই গুণে এই পৰ্বখিনিক বৈষ্ণৱ পৰ্বও বোলা হয়। পূৰ্ব কবি মাধৱ কন্দলীৰ ৰামায়ণে শঙ্কৰদেৱৰ সমসাময়িক অনন্ত কন্দলী আৰু তেওঁৰ মতাৱলম্বী কবিৰ স্থূলহস্তত পৰি বেলেগ ৰূপ ল'লে। আজিকালি মাধৱ কন্দলীৰ বস্তু কোনখিনি আৰু অনন্ত কন্দলীসকলৰ সংযোজন কোনখিনি তাক নিৰ্ণয় কৰাই টান হৈ পৰিছে।

আনহাতে, পৰৱৰ্তী আহোম ৰাজত্ব যুগৰ সাহিত্যত বৈষ্ণৱ সাহিত্যৰ বাহিৰেও আন আন বিষয়ৰ গ্ৰন্থৰ অনুবাদ কৰা হয়। বৈষ্ণৱৰ লগত কোনো সংঘৰ্ষ নোহোৱাকৈ আহোম ৰজাসকলৰ কেইজনমানে শাক্ত ধৰ্ম গ্ৰহণ কৰিছিল আৰু শাক্ত গ্ৰন্থৰ অসমীয়া অনুবাদৰ পৃষ্ঠপোষকতা কৰিছিল। উদাহৰণ স্বৰূপে ৰুচিনাথ কন্দলীৰ *চণ্ডী* আৰু আগমাচাৰ্যৰ *আনন্দলহৰী*ৰ অনুবাদ বিশেষ উল্লেখযোগ্য। আজান ফকীৰৰ জিকিৰ গীতসমূহ এই যুগৰেই অৱদান। ৰুচিনাথ কন্দলীৰ অনুবাদ শক্তিমন্ত আৰু প্ৰথমে পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে এই পুথি সম্পৰ্কে দৃষ্টি আকৰ্ষণ কৰে। এই পুথি আজিও প্ৰকাশ হোৱা নাই বুলি জানো। *আনন্দলহৰী* বিখ্যাত শঙ্কৰাচাৰ্যৰ *সৌন্দৰ্যলহৰী*ৰ প্ৰথমাংশ। আৰু এই হাতেলিখা পুথি চিত্ৰসম্বলিত। এই পুথিও উপযুক্তভাৱে সম্পাদন কৰা হোৱা নাই বুলি গম পাইছোঁ।

বৈষ্ণৱ যুগৰ অসমীয়া সাহিত্যৰ মূল আধাৰ কি?

(1) ভাগৱত পুৰাণ

(2) মহাভাৰত

(3) বধকাব্য

(4) ৰামায়ণ

(A) 1

(B) 2

(C) 3

(D) 4

Q.Type : Objective Question

3 5049 4.0

**উদ্ধৃত অনুচ্ছেদটো পঢ়ি তাৰ তলত দিয়া প্ৰশ্নসমূহৰ আটাইতকৈ শুদ্ধ উত্তৰটো বাছি উলিয়াই উত্তৰ কৰাঁ।**

বৈষ্ণৱী যুগৰ অসমীয়া সাহিত্য ওজনত গধুৰ হ'লেও ই কেৱল ধৰ্মীয় বিষয়তে সীমাবদ্ধ। এই যুগৰ সাহিত্য প্ৰচাৰধৰ্মী আৰু শিক্ষামূলক। কৃষ্ণ উপাসনা (Krishna cult) আৰু নামধৰ্ম এই সাহিত্যৰ বিষয়বস্তু। বিশ্বজগত ক্ষণস্থায়ী আৰু জীৱন ক্ষণভঙ্গুৰ (brittle)। এই সাহিত্য বিশেষকৈ ভাগৱত পুৰাণ আৰু নামধৰ্মৰ অনুকূল সংস্কৃত গ্ৰন্থৰ আধাৰত ৰচিত। ৰাম সৰস্বতীৰ মহাভাৰতৰ কেইটামান পৰ্ব ইয়াৰ ব্যতিক্ৰম হ'লেও এই কবিৰ বধকাব্যবোৰ ভাগৱতাশ্ৰয়ী। সেই গুণে এই পৰ্বখিনিক বৈষ্ণৱ পৰ্বও বোলা হয়। পূৰ্ব কবি মাধৱ কন্দলীৰ ৰামায়ণে শঙ্কৰদেৱৰ সমসাময়িক অনন্ত কন্দলী আৰু তেওঁৰ মতাৱলম্বী কবিৰ স্থূলহস্তত পৰি বেলেগ ৰূপ ল'লে। আজিকালি মাধৱ কন্দলীৰ বস্তু কোনখিনি আৰু অনন্ত কন্দলীসকলৰ সংযোজন কোনখিনি তাক নিৰ্ণয় কৰাই টান হৈ পৰিছে।

আনহাতে, পৰৱৰ্তী আহোম ৰাজত্ব যুগৰ সাহিত্যত বৈষ্ণৱ সাহিত্যৰ বাহিৰেও আন আন বিষয়ৰ গ্ৰন্থৰ অনুবাদ কৰা হয়। বৈষ্ণৱৰ লগত কোনো সংঘৰ্ষ নোহোৱাকৈ আহোম ৰজাসকলৰ কেইজনমানে শাক্ত ধৰ্ম গ্ৰহণ কৰিছিল আৰু শাক্ত গ্ৰন্থৰ অসমীয়া অনুবাদৰ পৃষ্ঠপোষকতা কৰিছিল। উদাহৰণ স্বৰূপে ৰুচিনাথ কন্দলীৰ *চণ্ডী* আৰু আগমাচাৰ্যৰ *আনন্দলহৰী*ৰ অনুবাদ বিশেষ উল্লেখযোগ্য। আজান ফকীৰৰ জিকিৰ গীতসমূহ এই যুগৰেই অৱদান। ৰুচিনাথ কন্দলীৰ অনুবাদ শক্তিমন্ত আৰু প্ৰথমে পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে এই পুথি সম্পৰ্কে দৃষ্টি আকৰ্ষণ কৰে। এই পুথি আজিও প্ৰকাশ হোৱা নাই বুলি জানো। *আনন্দলহৰী* বিখ্যাত শঙ্কৰাচাৰ্যৰ *সৌন্দৰ্যলহৰী*ৰ প্ৰথমাংশ। আৰু এই হাতেলিখা পুথি চিত্ৰসম্বলিত। এই পুথিও উপযুক্তভাৱে সম্পাদন কৰা হোৱা নাই বুলি গম পাইছোঁ।

মাধৱ কন্দলীৰ ৰামায়ণত আৰু কোন কবিৰ কথাবস্তুৰ সংযোজন ঘটিছে?

(1) শংকৰদেৱ

(2) ৰুচিনাথ কন্দলী

(3) অনন্ত কন্দলী

(4) ৰাম সৰস্বতী

(A) 1

(B) 2

(C) 3

(D) 4

Q.Type : Objective Question

4 | 5050 | 4.0

**উদ্ধৃত অনুচ্ছেদটো পঢ়ি তাৰ তলত দিয়া প্ৰশ্নসমূহৰ আটাইতকৈ শুদ্ধ উত্তৰটো বাছি উলিয়াই উত্তৰ কৰাঁ।**

বৈষ্ণৱী যুগৰ অসমীয়া সাহিত্য ওজনত গধুৰ হ'লেও ই কেৱল ধৰ্মীয় বিষয়তে সীমাবদ্ধ। এই যুগৰ সাহিত্য প্ৰচাৰধৰ্মী আৰু শিক্ষামূলক। কৃষ্ণ উপাসনা (Krishna cult) আৰু নামধৰ্ম এই সাহিত্যৰ বিষয়বস্তু। বিশ্বজগত ক্ষণস্থায়ী আৰু জীৱন ক্ষণভঙ্গুৰ (brittle)। এই সাহিত্য বিশেষকৈ ভাগৱত পুৰাণ আৰু নামধৰ্মৰ অনুকূল সংস্কৃত গ্ৰন্থৰ আধাৰত ৰচিত। ৰাম সৰস্বতীৰ মহাভাৰতৰ কেইটামান পৰ্ব ইয়াৰ ব্যতিক্ৰম হ'লেও এই কবিৰ বধকাব্যবোৰ ভাগৱতাশ্ৰয়ী। সেই গুণে এই পৰ্বখিনিক বৈষ্ণৱ পৰ্বও বোলা হয়। পূৰ্ব কবি মাধৱ কন্দলীৰ ৰামায়ণে শঙ্কৰদেৱৰ সমসাময়িক অনন্ত কন্দলী আৰু তেওঁৰ মতাৱলম্বী কবিৰ স্থূলহস্তত পৰি বেলেগ ৰূপ ল'লে। আজিকালি মাধৱ কন্দলীৰ বস্তু কোনখিনি আৰু অনন্ত কন্দলীসকলৰ সংযোজন কোনখিনি তাক নিৰ্ণয় কৰাই টান হৈ পৰিছে।

আনহাতে, পৰৱৰ্তী আহোম ৰাজত্ব যুগৰ সাহিত্যত বৈষ্ণৱ সাহিত্যৰ বাহিৰেও আন আন বিষয়ৰ গ্ৰন্থৰ অনুবাদ কৰা হয়। বৈষ্ণৱৰ লগত কোনো সংঘৰ্ষ নোহোৱাকৈ আহোম ৰজাসকলৰ কেইজনমানে শাক্ত ধৰ্ম গ্ৰহণ কৰিছিল আৰু শাক্ত গ্ৰন্থৰ অসমীয়া অনুবাদৰ পৃষ্ঠপোষকতা কৰিছিল। উদাহৰণ স্বৰূপে ৰুচিনাথ কন্দলীৰ *চণ্ডী* আৰু আগমাচাৰ্যৰ *আনন্দলহৰী*ৰ অনুবাদ বিশেষ উল্লেখযোগ্য। আজান ফকীৰৰ জিকিৰ গীতসমূহ এই যুগৰেই অৱদান। ৰুচিনাথ কন্দলীৰ অনুবাদ শক্তিমন্ত আৰু প্ৰথমে পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে এই পুথি সম্পৰ্কে দৃষ্টি আকৰ্ষণ কৰে। এই পুথি আজিও প্ৰকাশ হোৱা নাই বুলি জানো। *আনন্দলহৰী* বিখ্যাত শঙ্কৰাচাৰ্যৰ *সৌন্দৰ্যলহৰী*ৰ প্ৰথমাংশ। আৰু এই হাতেলিখা পুথি চিত্ৰসম্বলিত। এই পুথিও উপযুক্তভাৱে সম্পাদন কৰা হোৱা নাই বুলি গম পাইছোঁ।

বৈষ্ণৱ যুগৰ অসমীয়া সাহিত্যৰ এটা বিশেষ বৈশিষ্ট্য হৈছে —

(1) এই যুগত শাক্ত ধৰ্মৰ বিভিন্ন পুথিৰ অসমীয়া অনুবাদ হৈছিল আৰু ই বৈষ্ণৱ সাহিত্য চহকী কৰিছিল।

(2) এই যুগৰ অসমীয়া সাহিত্যৰ মূল বিষয়বস্তু হ'ল নামধৰ্ম।

(3) এই যুগৰ সাহিত্যত শিৱ-উপাসনাৰ বিষয়বস্তু সন্নিৱিষ্ট হৈ আছে।

(4) ৰুচিনাথ কন্দলীৰ *চণ্ডী* বৈষ্ণৱ যুগৰ অসমীয়া সাহিত্যৰ এখন উল্লেখযোগ্য বৈষ্ণৱধৰ্মীয় পুথি।

(A) 1

(B) 2

(C) 3

(D) 4

Topic : Topic 6

Q.Type : Objective Question

5 | 5051 | 4.0

তলত দিয়া বাক্যাংশসমূহ কোনটো ক্ৰমত সজালে এটা শুদ্ধ আৰু অৰ্থবহ বাক্য নিৰ্দেশ কৰিব?

(A) ভাল উপায়েৰে

(B) শিক্ষাৰ উদ্দেশ্য হৈছে

(C) উৎকৰ্ষ সাধন কৰা

(D) মানুহৰ ভিতৰত উচ্চ আৰু সজ

(E) প্ৰবৃত্তিবোৰৰ আটাইতকৈ

তলত দিয়া বিকল্পসমূহৰপৰা **শুদ্ধ** উত্তৰটো বাছি উলিওৱাঁ।

(1) (B), (A), (E), (D), (C)
(2) (A), (B), (C), (E), (D)
(3) (B), (D), (E), (A), (C)
(4) (D), (B), (E), (A), (C)

(A) 1

(B) 2

(C) 3

(D) 4

Q.Type : Objective Question

| | | | |
|---|---|---|---|
| 6 | 5052 | তলত দিয়া বাক্যাংশসমূহ কোনটো ক্ৰমত সজালে এটা শুদ্ধ আৰু অৰ্থবহ বাক্য নিৰ্দেশ কৰিব? | 4.0 |

(A) তাৰ ওচৰতে

(B) বৰ্তমান যি ঠাইত

(C) তয়াময়া ৰণ হৈছিল

(D) শৰাইঘাটৰ দলং অৱস্থিত

(E) আহোম আৰু মোগলৰ

তলত দিয়া বিকল্পসমূহৰপৰা **শুদ্ধ** উত্তৰটো বাছি উলিওৱাঁ।

(1) (B), (C), (A), (D), (E)
(2) (D), (A), (B), (E), (C)
(3) (B), (C), (A), (D), (E)
(4) (B), (D), (A), (E), (C)

(A) 1

(B) 2

(C) 3

(D) 4

Q.Type : Objective Question

| | | | |
|---|---|---|---|
| 7 | 5053 | | 4.0 |

তলত দিয়া বাক্যাংশসমূহ কোনটো ক্রমত সজালে এটা শুদ্ধ আৰু অৰ্থবহ বাক্য নিৰ্দেশ কৰিব?

(A) যোগসূত্ৰ ৰক্ষা কৰি

(B) জাতিসমূহৰ মাজত

(C) ওচৰ সম্বন্ধ গঢ়ি

(D) তোলাৰ মাধ্যম

(E) বাতৰি কাকত হৈছে

তলত দিয়া বিকল্পসমূহৰপৰা **শুদ্ধ** উত্তৰটো বাছি উলিওৱাঁ।

(1) (E), (A), (C), (B), (D)
(2) (B), (E), (A), (C), (D)
(3) (E), (B), (A), (C), (D)
(4) (A), (C), (B), (D), (E)

(A) 1

(B) 2

(C) 3

(D) 4

Q.Type : Objective Question

8 | 5054 | 4.0

তলত দিয়া বাক্যাংশসমূহ কোনটো ক্রমত সজালে এটা শুদ্ধ আৰু অৰ্থবহ বাক্য নিৰ্দেশ কৰিব?

(A) টেলিভিচনৰ আৱিষ্কাৰে

(B) প্ৰান্তসমূহৰ লগত সংযোগ ঘটায়

(C) মানুহৰ স্বপ্নৰাজ্যক

(D) বাস্তৱত ৰূপায়িত

(E) কৰি বিশ্বৰ দূৰ-দূৰান্তৰৰ

তলত দিয়া বিকল্পসমূহৰপৰা **শুদ্ধ** উত্তৰটো বাছি উলিওৱাঁ।

(1) (D), (B), (C), (A), (E)
(2) (A), (C), (E), (B), (D)
(3) (C), (E), (A), (B), (D)
(4) (A), (C), (D), (E), (B)

(A) 1

(B) 2

(C) 3

(D) 4

Q.Type : Objective Question

9 | 5055 | 4.0

তলত দিয়া বাক্যাংশসমূহ কোনটো ক্ৰমত সজালে এটা শুদ্ধ আৰু অৰ্থবহ বাক্য নিৰ্দেশ কৰিব?

(A) তোলাৰ একমাত্ৰ

(B) জগতৰ মংগলৰ

(C) যোগ্যৱান কৰি

(D) মাধ্যম হ'ল শিক্ষা

(E) বাবে নিজকে

তলত দিয়া বিকল্পসমূহৰপৰা **শুদ্ধ** উত্তৰটো বাছি উলিওৰাঁ।

(1) (B), (C), (E), (D), (A)
(2) (B), (E), (A), (C), (D)
(3) (B), (E), (C), (A), (D)
(4) (E), (B), (A), (C), (D)

(A) 1

(B) 2

(C) 3

(D) 4

Q.Type : Objective Question

10 | 5056 | 4.0

**তালিকা - I** ৰ লগত **তালিকা - II** মিলোৱাঁ ঃ

| **তালিকা - I** | | **তালিকা - II** | |
|---|---|---|---|
| (A) | হাত দীঘল | (I) | কামত ধৰ |
| (B) | হাত লৰ | (II) | ক্ষমতাশালী |
| (C) | হাত টান | (III) | কৃপণ |
| (D) | হাত দে | (IV) | চোৰ স্বভাৱৰ |

তলত দিয়া বিকল্পসমূহৰপৰা **শুদ্ধ** উত্তৰটো বাছি উলিওৰাঁ।

(1) (A)-(II), (B)-(III), (C)-(I), (D)-(IV)
(2) (A)-(II), (B)-(IV), (C)-(III), (D)-(I)
(3) (A)-(I), (B)-(II), (C)-(III), (D)-(IV)
(4) (A)-(IV), (B)-(II), (C)-(I), (D)-(III)

(A) 1

(B) 2

(C) 3

(D) 4

Q.Type : Objective Question

11 | 5057 | 4.0

তালিকা - I ৰ লগত তালিকা - II মিলোৱাঁ ঃ

| তালিকা - I | | তালিকা - II | |
|---|---|---|---|
| (A) | হাত | (I) | এবিধ জন্তু |
| (B) | হাট | (II) | শাৰী শাৰীকৈ সজা ঘৰ |
| (C) | হাতী | (III) | মানুহৰ শৰীৰৰ অংগ |
| (D) | হাটী | (IV) | বজাৰ |

তলত দিয়া বিকল্পসমূহৰপৰা **শুদ্ধ** উত্তৰটো বাছি উলিওৱাঁ।

(1) (A)-(III), (B)-(II), (C)-(I), (D)-(IV)
(2) (A)-(IV), (B)-(III), (C)-(I), (D)-(II)
(3) (A)-(III), (B)-(IV), (C)-(I), (D)-(II)
(4) (A)-(III), (B)-(I), (C)-(II), (D)-(IV)

(A) 1

(B) 2

(C) 3

(D) 4

Q.Type : Objective Question

12 5058 4.0

তালিকা - I ৰ লগত তালিকা - II মিলোৱাঁ ঃ

| তালিকা - I | | তালিকা - II | |
|---|---|---|---|
| (A) | পুৰুষ | (I) | পালিকা |
| (B) | প্ৰিয় | (II) | বালিকা |
| (C) | বালক | (III) | মহিলা |
| (D) | পালক | (IV) | প্ৰিয়া |

তলত দিয়া বিকল্পসমূহৰপৰা **শুদ্ধ** উত্তৰটো বাছি উলিওৱাঁ।

(1) (A)-(IV), (B)-(III), (C)-(I), (D)-(II)
(2) (A)-(III), (B)-(II), (C)-(I), (D)-(IV)
(3) (A)-(III), (B)-(IV), (C)-(II), (D)-(I)
(4) (A)-(IV), (B)-(III), (C)-(II), (D)-(I)

(A) 1

(B) 2

(C) 3

(D) 4

Q.Type : Objective Question

13 5059 4.0

তালিকা - I ৰ লগত তালিকা - II মিলোৱাঁ ঃ

| | তালিকা - I | | তালিকা - II |
|---|---|---|---|
| (A) | পদ্ম আছে নাভিত যাৰ তেওঁ | (I) | সৰস্বতী |
| (B) | বীণ আছে পাণিত যাৰ তেওঁ | (II) | ৰাম |
| (C) | শূল আছে পাণিত যাৰ | (III) | বিষ্ণু |
| (D) | সীতা জায়া যাৰ তেওঁ | (IV) | মহেশ্বৰ |

তলত দিয়া বিকল্পসমূহৰপৰা **শুদ্ধ** উত্তৰটো বাছি উলিওৱাঁ।

(1) (A)-(IV), (B)-(I), (C)-(III), (D)-(II)
(2) (A)-(III), (B)-(II), (C)-(IV), (D)-(I)
(3) (A)-(I), (B)-(III), (C)-(IV), (D)-(II)
(4) (A)-(III), (B)-(I), (C)-(IV), (D)-(II)

(A) 1

(B) 2

(C) 3

(D) 4

Q.Type : Objective Question

14 5060 4.0

তালিকা - I ৰ লগত তালিকা - II মিলোৱাঁ ঃ

| | তালিকা - I | | তালিকা - II |
|---|---|---|---|
| (A) | ট, ঠ, ড, ঢ | (I) | তালব্যবৰ্ণ |
| (B) | ত, থ, দ, ধ | (II) | ঔষ্ঠ্যবৰ্ণ |
| (C) | চ, ছ, জ, শ | (III) | দন্ত্যবৰ্ণ |
| (D) | প, ফ, ব, ভ | (IV) | মূৰ্দ্ধন্যবৰ্ণ |

তলত দিয়া বিকল্পসমূহৰপৰা **শুদ্ধ** উত্তৰটো বাছি উলিওৱাঁ।

(1) (A)-(II), (B)-(I), (C)-(III), (D)-(IV)
(2) (A)-(IV), (B)-(II), (C)-(I), (D)-(III)
(3) (A)-(IV), (B)-(I), (C)-(III), (D)-(II)
(4) (A)-(IV), (B)-(III), (C)-(I), (D)-(II)

(A) 1

(B) 2

(C) 3

(D) 4

Q.Type : Objective Question

15 5061 4.0

তলত দিয়াবোৰৰ ভিতৰত বাকী তিনিটাৰ লগত মিল নথকা বিকল্পটো বাছি উলিওৱাঁ ঃ

(1) মাছ + কণ = মাছকণ
(2) পাত + খিলা = পাতখিলা
(3) শলিতা + গছ = শলিতাগছ
(4) নাও + অৰীয়া = নাৱৰীয়া

(A) 1

(B) 2

(C) 3

(D) 4

Q.Type : Objective Question

| | | | |
|---|---|---|---|
| 16 | 5062 | 'পদুম' শব্দটোৰ এটা সমাৰ্থক শব্দৰ উদাহৰণ দিয়াঁ ঃ<br>(1) আঁখি<br>(2) অম্বৰ<br>(3) অম্বুদ<br>(4) উৎপল<br><br>(A) 1<br><br>(B) 2<br><br>(C) 3<br><br>(D) 4 | 4.0 |

Q.Type : Objective Question

| | | | |
|---|---|---|---|
| 17 | 5063 | 'ঈশ্বৰ'ৰ এটা সমাৰ্থক শব্দ হৈছে —<br>(1) পাৱক<br>(2) শশধৰ<br>(3) জগদীশ<br>(4) নৰপতি<br><br>(A) 1<br><br>(B) 2<br><br>(C) 3<br><br>(D) 4 | 4.0 |

Q.Type : Objective Question

| | | | |
|---|---|---|---|
| 18 | 5064 | 'উত্থান' শব্দৰ বিপৰীত অৰ্থবাচক শব্দ হৈছে —<br>(1) পতন<br>(2) অৱনতি<br>(3) প্ৰত্যাখ্যান<br>(4) অন্ত<br><br>(A) 1<br><br>(B) 2<br><br>(C) 3 | 4.0 |

(D) 4

Q.Type : Objective Question

| | | | |
|---|---|---|---|
| 19 | 5065 | 'পৰিশ্ৰমী' শব্দৰ বিপৰীত অৰ্থবাচক শব্দ হৈছে —<br>(1) অপৱিত্ৰ<br>(2) এলেহুৱা<br>(3) প্ৰতিবাদী<br>(4) অপৰিমিত<br><br>(A) 1<br><br>(B) 2<br><br>(C) 3<br><br>(D) 4 | 4.0 |

Q.Type : Objective Question

| | | | |
|---|---|---|---|
| 20 | 5066 | নিম্নলিখিত উক্তিকেইটাৰপৰা শুদ্ধ উত্তৰকেইটা বাছি উলিওৱাঁ ঃ<br>(A) ঐতিহাসিক ঘটনা আদি বুজোৱা অতীত কালৰ ক্ৰিয়া পদক স্বৰূপ বৰ্তমান কাল বোলা হয়।<br>(B) অতীত, বৰ্তমান, ভৱিষ্যৎ হ'ল ক্ৰিয়াৰ কাল।<br>(C) অতীতত কোনো কাৰ্য হোৱাৰ সম্ভাৱনা আছিল, কিন্তু কাৰ্য নোহোৱাকৈ শেষ হ'ল, তেনে ক্ৰিয়াৰ কালত স্বৰূপ ভূত কাল বোলে।<br>(D) চিৰন্তন সত্যবোৰ সদায় নিত্য বৰ্তমান কালত ব্যৱহাৰ হয়।<br>(E) ভৱিষ্যতে কোনো কাৰ্য সম্পাদন কৰা হ'ব এনে ভাব বুজোৱা ক্ৰিয়া কালত স্বৰূপ বৰ্তমান বোলা হয়।<br>তলত দিয়া বিকল্পসমূহৰপৰা **শুদ্ধ** উত্তৰটো বাছি উলিওৱাঁ।<br>(1) কেৱল (B) আৰু (C)<br>(2) কেৱল (A) আৰু (B)<br>(3) কেৱল (B) আৰু (D)<br>(4) কেৱল (D) আৰু (E)<br><br>(A) 1<br><br>(B) 2<br><br>(C) 3<br><br>(D) 4 | 4.0 |

Q.Type : Objective Question

| | | | |
|---|---|---|---|
| 21 | 5067 | | 4.0 |

"তোমাৰ ঘৰৰপৰা বিদ্যালয়লৈ কিমান দূৰ" — বাক্যটোত 'ঘৰৰপৰা' আৰু 'বিদ্যালয়লৈ' শব্দ দুটাত কি কি বিভক্তি যোগ হৈছে?

(A) চতুৰ্থী

(B) দ্বিতীয়া

(C) পঞ্চমী

(D) তৃতীয়া

(E) ষষ্ঠী

তলত দিয়া বিকল্পসমূহৰপৰা **শুদ্ধ** উত্তৰটো বাছি উলিওৱাঁ।

(1) কেৱল (A) আৰু (B)

(2) কেৱল (B) আৰু (C)

(3) কেৱল (A) আৰু (C)

(4) কেৱল (C) আৰু (E)

(A) 1

(B) 2

(C) 3

(D) 4

Q.Type : Objective Question

22 5068 4.0

তলৰ ফকৰা-যোজনাটোৰ খালী ঠাইত বহিবলগীয়া শুদ্ধ শব্দটো উত্তৰত দিয়া বিকল্পবোৰৰপৰা নিৰ্বাচন কৰাঁ।

আদাক দেখি উঠিল গা, __________ বোলে মোকো খা।

(1) কেকোঁৰাই

(2) মাছে

(3) হালধীয়ে

(4) কেঁতুৰিয়ে

(A) 1

(B) 2

(C) 3

(D) 4

Q.Type : Objective Question

23 5069 4.0

কাউৰীটোৱে কা-কাকৈ চিঞৰিছে— এই বাক্যটোত ব্যৱহৃত 'কা-কা' ধ্বনিটো হৈছে —

(1) অনুৰূপ শব্দ

(2) অনুসৰ্গ

(3) অনুকাৰ শব্দ

(4) উপসৰ্গ

(A) 1

(B) 2

(C) 3

| | | | |
|---|---|---|---|
| | | (D) 4 | |